অধ্যায় ১০ ঃ ভবেন্দ্রনাথ শইকীয়া ঃ 'সেন্দূৰ'

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য

১০.২ পৰিচয়

১০.৩ ভবেন্দ্রনাথ শইকীয়া ঃ জীৱন আৰু কৃতি

১০.৩.১ ভবেন্দ্রনাথ শইকীয়াৰ গল্পৰ প্রধান বৈশিষ্ট্যসমূহ

১০.৪ 'সেন্দূৰ'

১০.৪.১ গল্পটোৰ সাধাৰণ আলোচনা

১০.৪.২ গল্পটোৰ কাহিনীভাগ

১০.৪.৩ গল্পটোত প্রতিভাত হোৱা চৰিত্রসমূহ

১০.৪.৪ গল্পটোৰ বিশেষত্ব

১০.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১০.৬ অধিক জানিবলৈ

১০.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১০.৮ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- গল্পকাৰ ভবেন্দ্রনাথ শইকীয়াৰ পৰিচয় লাভ কৰিব
- ভবেন্দ্রনাথ শইকীয়াৰ সাহিত্য কৃতিৰ লগত পৰিচিত হ'ব
- ভবেন্দ্রনাথ শইকীয়াৰ গল্পৰ বৈশিষ্ট্য সম্পর্কে আলোচনা কৰিব পাৰিব
- *সেন্দূৰ* গল্পটোৰ কাহিনীভাগৰ আভাস লাভ কৰিব
- *সেন্দূৰ* গল্পটোৰ চৰিত্রসমূহৰ বিশ্লেষণ আগবঢ়াব পাৰিব
- গল্পটোত গল্পকাৰ ভবেন্দ্রনাথ শইকীয়াৰ চুটি গল্পৰ বৈশিষ্ট্যসমূহ কেনেদৰে প্রতিফলিত হৈছে সেয়া পর্যালোচনা কৰিব পাৰিব।

১০.২ পৰিচয়

এই বিশেষ পাঠ্যবিষয়টোৰ এইটো দশম অধ্যায়। ইয়াৰ শীর্ষক 'ভবেন্দ্রনাথ শইকীয়া ঃ *সেন্দূৰ*'। বাস্তৱ সমাজৰ সৰু সৰু জীৱন চিত্রক অৱলম্বন কৰি গল্প ৰচনা কৰা ভবেন্দ্রনাথ শইকীয়া ৰামধেনু যুগৰ অন্যতম গল্পকাৰ। শইকীয়াৰ গল্পত বাস্তৱ জীৱনৰ সূক্ষ্মাতিসূক্ষ্ম কথাবোৰো প্রতিভাত হৈ উঠে। এই অধায়টোত আমি ভবেন্দ্রনাথ শইকীয়াৰ 'সেন্দূৰ' গল্পটোৰ বিষয়ে আলোচনা আগবঢ়াম।

নাৰীৰ নাৰীৰ প্রতি থকা সন্দেহপ্রৱণ ৰূপটো গল্পটোত প্রতিভাত হৈছে মণিকা নামৰ

চৰিত্রটোৰ জৰিয়তে। আনহাতে গল্পকাৰে অন্য এটা নাৰী চৰিত্র ললিতাৰ মাজেৰে নাৰীৰ সহজ সৰল মনটো দেখুৱাইছে। গল্পটোত এই দুই নাৰীৰ মাজত মানসিকভাৱে বিধ্বস্ত হোৱা প্রভাকৰ ৰায়চৌধুৰীৰ চৰিত্রটো সার্থকভাৱে চিত্রিত হৈছে।

১০.৩ ভবেন্দ্রনাথ শইকীয়া ঃ জীৱন আৰু কৃতি

আধুনিক অসমীয়া সাহিত্যৰ অন্য এগৰাকী কর্ণধাৰ ভবেন্দ্রনাথ শইকীয়াৰ জন্ম 1932 চনৰ 20 ফেব্রুৱাৰী তাৰিখে। জন্মস্থান নগাঁও চহৰৰ ফৌজদাৰী পট্টি। তেওঁৰ দেউতাকৰ নাম বিদূৰ কুমাৰ শইকীয়া আৰু মাতৃ চম্পাবালা শইকীয়া। 1948 চনত তেওঁ নগাঁও চৰকাৰী হাইস্কুলৰ পৰা তিনিটা বিষয়ত লেটাৰ নম্বৰ লাভ কৰি প্রথম বিভাগত প্রৱেশিকা পৰীক্ষাত উত্তীর্ণ হয়। ইয়াৰ পাছত 1950 চনত তেওঁ কটন কলেজৰ পৰা বিজ্ঞান শাখাত প্রথম বিভাগত ইণ্টাৰমিডিয়েট পৰীক্ষাত উত্তীর্ণ হয়। একেখন মহাবিদ্যালয়ৰ পৰা তেওঁ 1952 চনত পদার্থ বিজ্ঞান বিষয়ত দ্বিতীয় শ্রেণীৰ স্নাতকোত্তৰ ডিগ্রী লাভ কৰে। 1955 চনত তেওঁ কলকাতাৰ প্রেছিডেন্সী কলেজৰ পৰা পদার্থ বিজ্ঞান বিষয়ত দ্বিতীয় শ্রেণীৰ স্নাতকোত্তৰ ডিগ্রী লাভ কৰে। পৰৱর্তী সময়ছোৱাত তেওঁ পদার্থ বিজ্ঞানৰ প্রবক্তা হিচাপে শিৱসাগৰ কলেজত তেওঁৰ কর্ম জীৱনৰ পাতনি তৰে। বছৰটো আছিল 1956¼ তাৰ পাছৰ বছৰত তেওঁ পদার্থ বিজ্ঞানৰ ডেমনষ্ট্রেটৰ হিচাপে গুৱাহাটী বিশ্ববিদ্যালয়ত যোগদান কৰে। গৱেষণাৰ বাবে তেওঁ 1958 চনত লণ্ডনলৈ যাত্রা কৰে। 1961 চনত তেওঁ লণ্ডন বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্রী লাভ কৰে। অসমলৈ ঘূৰি অহাৰ পাছত তেওঁ প্রবক্তা হিচাপে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পদার্থ বিজ্ঞান বিভাগত যোগদান কৰিলে। 1964 চনত তেওঁ একেটা বিভাগৰ অধ্যাপক হয়। 1965 চনত উত্তৰ লখিমপুৰৰ প্রীতি শইকীয়াৰ লগত তেওঁ বিবাহ পাশত আবদ্ধ হয়। বিশ্ববিদ্যালয় অনুদান আয়োগে বিশ্ববিদ্যালয় পর্যায়ত আঞ্চলিক ভাষাত পাঠ্যপুথি প্রণয়নৰ নীতি গ্রহণ কৰাৰ পিছত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পাঠ্যপুথি প্রণয়ন আৰু সমন্বয় সমিতিৰ প্রথমগৰাকী সচিব ৰূপে নিযুক্ত হৈ তেওঁ 1978 চনলৈ কার্যনির্বাহ কৰে। তেওঁ 1981 চনত *প্রান্তিক* শীর্ষক পযেকীয়া আলোচনীখনৰ মুখ্য সম্পাদকৰ দায়িত্বভাৰ গ্রহণ কৰে। 1982 চনত তেওঁ শিশু আলোচনী *সফুৰা*ৰ সম্পাদক হয়। 1986 চনত তেওঁ অসম ৰাজ্যিক চলচ্চিত্র (বিত্ত আৰু উন্নয়ন) নিগমৰ অধ্যক্ষ হিচাপে তিনি বছৰৰ বাবে নিয়োজিত হয়। 1996 চনত তেওঁ 'নেশ্যনেল বুক ট্রাষ্ট'ৰ ব'র্ড অব্ ষ্টাডিজৰ সদস্য মনোনীত হয়। 2002 চনত ছবছৰ কাল ধৰি প্রকাশ বন্ধ হৈ থকা শিশু আলোচনী *সফুৰা*ৰ পুনর্প্রকাশ আৰু তেওঁ পুনৰ ইয়াৰ সম্পাদনাৰ দায়িত্ব কান্ধ পাতি লয়।

এই গৰাকী কর্মযোগীয়ে জীৱিত কালতে তেওঁ কর্মৰ স্বীকৃতি স্বৰূপে বিভিন্ন অনুষ্ঠান-প্রতিষ্ঠানৰ পৰা সন্মানজনক স্বীকৃতি আৰু বঁটা-বাহন লাভ কৰিছিল। 1973 চনত তেওঁ 'অসম প্রকাশন পৰিষদৰ বঁটা' লাভ কৰিছিল। 1976 চনত তেওঁ তেওঁৰ *শৃঙ্খল* নামৰ গল্প সঙ্কলনখনৰ বাবে সাহিত্য অকাদেমি বঁটা লাভ কৰে। 1981 চনত তেওঁৰ 'অনির্বাণ'ৰ বাবে আঞ্চলিক ভাষাৰ শ্রেষ্ঠ ছবিৰ ৰজত কমল বঁটা লাভ কৰে। 1985 চনত তেওঁৰ তৃতীয়খন চলচ্চিত্র 'অগ্নিস্নান'ৰ

বাবে তেওঁ শ্রেষ্ঠ চিত্রনাট্যকাৰৰ ৰাষ্ট্রীয় বঁটাৰ লগতে আঞ্চলিক ছবিৰ ৰজতকমল বঁটা লাভ কৰে। 1988 চনত তেওঁৰ চতুর্থখন চলচ্চিত্র 'কোলাহল'ৰ বাবে পুনৰ ৰজত কমল বঁটা লাভ কৰে। 1990 চনত তেওঁ মেগৰ শৈক্ষিক ন্যাসে প্রদান কৰা অসম উপত্যকা বঁটা লাভ কৰে। 1992 চনত তেওঁ 'সাৰথি' নামৰ চলচ্চিত্রৰ বাবে ৰজত কমল লাভ কৰে। 1998 চনত তেওঁ অসম চৰকাৰ প্রদত্ত শ্রীমন্ত শংকৰদেৱ বঁটাৰ দ্বাৰা সন্মানিত হয়। 2001 চনত ভাৰত চৰকাৰে তেওঁক পদ্মশ্রী সন্মানেৰে সন্মানিত কৰে। একেটা বর্ষতে চলচ্চিত্র আৰু সাহিত্য ক্ষেত্রলৈ তেওঁ আগবঢ়োৱা স্মৰণীয় অৱদানৰ বাবে ডিব্রুগড় বিশ্ববিদ্যালয়ে তেওঁক ডি. লিট. সন্মানেৰে সন্মানিত কৰে।

বহুমুখী প্রতিভাৰ আকৰ ভবেন্দ্রনাথ শইকীয়াই অসমৰ সাহিত্য আৰু সংস্কৃতিৰ পথাৰলৈ উল্লেখযোগ্য বৰঙণি আগবঢ়াই গৈছে। চুটিগল্প, উপন্যাস, নাটক, শিশু সাহিত্য প্রভৃতি দিশত ভবেন্দ্রনাথ শইকীয়াই আধুনিক অসমীয়া সাহিত্যক সমৃদ্ধ কৰি গৈছে। তেওঁৰ ৰচনাকৃতিসমূহক এইদৰে শ্রেণীবিভাগ কৰিব পাৰি—

- **গল্প সঙ্কলন ঃ** *প্রহৰী, বৃন্দাবন, গহুৰ, সেন্দূৰ, শৃঙ্খল, ভবেন্দ্রনাথ শইকীয়াৰ শ্রেষ্ঠ গল্প, তৰংগ, এই বন্দৰৰ আবেলি, আকাশ, উপকণ্ঠ* আৰু *সান্ধ্যভ্রমণ*।
- **উপন্যাস ঃ** *আতঙ্কৰ শেষত, অন্তৰীপ* আৰু *ৰম্যভূমি*।
- **শিশু সাহিত্য ঃ** *মৰমৰ দেউতা, শান্ত-শিষ্ট, হৃষ্ট-পুষ্ট, মহা দুষ্ট, তোমালোকৰ ভাল হওঁক, মহা দুষ্টৰ দুষ্ট বুদ্ধি, আমাৰ আখৰ, মৰম, পদ্যৰ ধেমালি* আৰু *ভবেন্দ্রনাথ শইকীয়াৰ শিশু-সাহিত্য সমগ্র*।
- **দিনলিপি সঙ্কলন ঃ** শেষ পৃষ্ঠা, 1ম খণ্ড, 2য় খণ্ড আৰু 3য় খণ্ড।
- **জীৱনী ঃ** *জীৱন বৃত্ত*।
- **নাটক ঃ** *ৰামধেনু, এজাক জোনাকীৰ জিলমিল (চাৰিখন একাংকিকা), অন্ধকুপ, বন্দীশাল, আম্রপালী, মণিকূট, নীলকণ্ঠ, বিষকুম্ভ, অমৃত, জন্মভূমি, দীনবন্ধু, প্রতিবিম্ব, গধূলি, গহুৰ, মহাৰণ্য, বৃন্দাবন, স্বর্গৰ দুৱাৰ, পৰমানন্দ, সমুদ্রমন্থন, পাণ্ডুলিপি, স্বর্ণজয়ন্তী, ৰম্যভূমি, বর্ণমালা, শতাব্দী, শুভ সংবাদ* আৰু *অৰণ্যৰ গধূলি*।
- **চলচ্চিত্র ঃ** 'সন্ধ্যাৰাগ', 'অনির্বাণ', 'অগ্নিস্নান', 'কোলাহল', 'সাৰথি', 'আৱর্তন', 'ইতিহাস', 'কালসন্ধ্যা' (হিন্দী)

এইদৰে অসমীয়া সাহিত্যক বিভিন্ন দিশৰ পৰা সমৃদ্ধ কৰি 2003 চনৰ আগষ্ট মাহৰ 13 তাৰিখে এই গৰাকী কৃতবিদ্য অসমীয়াই ইহলীলা সম্বৰণ কৰিলে।



অগ্রগতি নিৰীক্ষণ

১ নং প্রশ্ন ঃ ভবেন্দ্রনাথ শইকীয়াৰ জীৱন আৰু কৃতিৰ চমু লেখ আগবঢ়াওক। (150 টা শব্দৰ ভিতৰত)

১০.৩.১ ভবেন্দ্রনাথ শইকীয়াৰ গল্পৰ প্রধান বৈশিষ্ট্যসমূহ

ভবেন্দ্রনাথ শইকীয়াৰ গল্পত আধুনিকতাৰ বিপৰীতে পৰম্পৰাবাদী চিন্তাধাৰাৰ পূর্ণতা পৰিলক্ষিত হয়। এই প্রসঙ্গত হোমেন বৰগোহাঞিয়ে সঠিক মন্তব্যকে কৰিছে— "ভবেন্দ্রনাথ শইকীয়াৰ গল্পত অসমীয়া চুটিগল্পৰ পৰম্পৰাবাদী ধাৰাই এক বিৰল পূর্ণতা লাভ কৰিছে।" ভবেন্দ্রনাথ শইকীয়াৰ গল্পত কাহিনী কথনৰ প্রাধান্য থাকিলেও ভাবৰ বিক্ষিপ্ততা নাই। তেওঁৰ গল্পত চিত্রধর্মী বর্ণনা আছে, যি বর্ণনা গল্পকাৰৰ বর্ণনা চাতুর্যৰ অভিনৱত্বৰ বাবে আকর্ষণীয় হৈ পৰে। সেইবাবেই তেওঁৰ গল্প পাঠকৰ বাবে আমনিদায়ক হৈ নপৰে। ভবেন্দ্রনাথ শইকীয়াৰ গল্প কাহিনীপ্রধান হ'লেও কাহিনী কথনৰ ভঙ্গী প্রশংসনীয়। চৰিত্র আৰু ঘটনাৰ চিত্রনেই তেওঁৰ গল্পৰ প্রধান লক্ষ্য। প্রধান কাহিনী বা কেন্দ্রীয় ঘটনাটোৰ সৈতে শইকীয়াই তেওঁৰ গল্পত সংযোজন কৰে অনেক সৰু সৰু ঘটনা তথা চিত্র।এনে সৰু-সুৰা ঘটনা-চিত্রসমূহে তেওঁৰ গল্পৰ মূল বক্তব্যক অধিক স্পষ্ট আৰু আকর্ষণীয় কৰি তোলে। সকলো সময়তে শইকীয়াই গল্পটোৰ ভাব আৰু ঐক্যৰ ওপৰত অধিক গুৰুত্ব প্রদান কৰাটো পৰিলক্ষিত হয়। কাহিনীপ্রধান হোৱা বাবেই ভবেন্দ্রনাথ শইকীয়াৰ বেছিভাগ গল্পই দীর্ঘাৱয়বপূর্ণ। তদুপৰি তেওঁৰ গল্পত আছে সূক্ষ্মাতিসূক্ষ্ম ঘটনাৰ যথাযথ চিত্রণ। অইনৰ চকুত ধৰা নপৰা কথাটোত শইকীয়াই তেওঁৰ গল্পত অতি বাস্তৱ দৃষ্টিৰে পর্যবেক্ষণ কৰে। যাৰ ফলত তেনে বর্ণনাসমূহ হৈ পৰে চিত্রধর্মী। পুঙ্খানুপুঙ্খভাৱে শইকীয়াই সৰু সৰু কথাবোৰকো পর্যবেক্ষণ কৰে। তেনে বর্ণনাই পাঠকক ভাৰাক্রান্ত নকৰে। বৰঞ্চ পাঠকক লৈ যায় আমাৰ দৈনন্দিন জীৱনৰ বাস্তৱ ঘটনাৰ মাজলৈ। আলোচক মহেন্দ্র বৰাই ভবেন্দ্রনাথ শইকীয়াৰ গল্পৰ সন্দর্ভত এযাৰ মন্তব্য কৰিছিল এনেদৰে— "ভবেন্দ্রনাথ শইকীয়াৰ গল্পত আছে ডিটেইলছৰ ধাৰ নিছিগা স্ফুৰণ। সত্যজিৎ ৰায়ৰ ছবি চাই যিটো সোৱাদ পোৱা যায়, ডিটেইলছৰ সূক্ষ্মতম কাৰুকার্যৰ বাবে ভৱেন্দ্রনাথ শইকীয়াৰ গল্প পঢ়ি পোৱা যায় একেটা সোৱাদ একেটা কাৰণতে।"

আগতেই উল্লেখ কৰা হৈছে যে ভবেন্দ্রনাথ শইকীয়াৰ গল্প বর্ণনাধর্মী। গল্পৰ মূল উপজীব্য আৰু চৰিত্রৰ মানসিক জগতৰ সম্ভেদ পাঠকক দিবলৈ গৈ শইকীয়াই বর্ণনাৰ আশ্রয় লয়। কিন্তু সেইবোৰ বর্ণনা মুঠেই আমনিদায়ক নহয়। বৰঞ্চ সহজতে ঢুকি পোৱা আমাৰ বাস্তৱ তথা দৈনন্দিন জীৱনৰ সৈতে মিল থকা কথাবোৰৰ সৈতে ৰজিতা খুৱাই বর্ণনাবোৰ দাঙি ধৰাত অধিক আকর্ষণীয় হৈহে পৰে। যেনে—

- গা ধুৱাওঁতে কোঁচুৱাৰ গাত হাত ফুৰোৱাৰ নিচিনাকৈ মাছকেইটাৰ গাত হাত ফুৰাইছিল
- গছ-পাতৰ সুৰুঙাইদি অহা ৰ'দত জিলিকি উঠা এপাহ পলাশ ফুলৰ নিচিনাকৈ ললিতাৰ কপালৰ উজ্বল *সেন্দূৰখিনি* মাছ বজাৰত জিলিকি উঠিল।

"ভবেন্দ্রনাথ শইকীয়াৰ গল্পৰ এক বিশেষ ধৰণৰ পেটার্ণ আছে আৰু এই পেটার্ণটো অনুকৰণীয়।" মোপাছাঁৰ গল্পতো এনে বিশেষ পেটার্ণ আছে। বাস্তৱ জীৱন

চিত্রণত মোপাছাঁই বর্ণনাৰ এনে বিশেষ পেটার্ণ প্রয়োগ কৰে। যাৰ ফলত মোপাছাঁৰ গল্প হৈ পৰে বাস্তৱধর্মী। এনে পেটার্ণ শইকীয়াইও গ্রহণ কৰিছে যদিও শইকীয়াৰ গল্পত মোপাছাঁৰ গল্পৰ সংযম পৰিলক্ষিত নহয়। এনে কথাৰ প্রতি লক্ষ্য ৰাখিলে ভবেন্দ্রনাথ শইকীয়াৰ গল্পৰ সমালোচনা কৰি ত্রৈলোক্যনাথ গোস্বামীয়ে এনেদৰে লিখিছে— "ভবেন্দ্রনাথ শইকীয়াৰ ঘাই দোষ হ'ল বর্ণনাৰ আতিশয্য আৰু আৱশ্যক খুটি-নাটিক পৰিহাৰ কৰি চলাৰ অক্ষমতা।"

ভবেন্দ্রনাথ শইকীয়াৰ গল্পত প্রতীক, চিত্রকল্প, উপমা আদিৰ সঘন প্রয়োগ দেখা যায়। প্রতীকৰ প্রক্ষেপে তেওঁৰ গল্পসমূহক অন্য এক মাত্রা প্রদান কৰিছে। উদাহৰণ স্বৰূপে, 'সেন্দূৰ', 'ঢোৰাসাপ', 'গহ্বৰ', 'এলাহ্মু', 'প্রহৰী' আদি তেনে ধৰণৰ গল্প। 'এন্দুৰ' গল্পত এন্দুৰক জৈৱিক ক্ষুধাৰ প্রতীক হিচাপে গ্রহণ কৰা হৈছে। মতিৰ মাকে মতিৰ মৃত্যুৰ পিছত এন্দুৰে খাই খালী কৰা বস্তাটো ৰ'দত দি বিছ্নাত পাৰি লয় আৰু যথেষ্ট উম অনুভৱ কৰে। আৰু এনেকুৱা উম লাগিলেই গোটেই গাটোত এক অদ্ভুত এন্দুৰে খুটখুটাই ফুৰা যেন লাগে। আজি সেই এন্দুৰটো খেদিবলৈ বুকুৰ কাষত মতিও নাই। অলপ পিছত এনেকুৱা লাগিল এই মুহূর্তত সেই হেণ্ডিমেনটোৱে তাইক যদি কয়— "দাইল চাউল কিবা অলপ আনি দিওঁ দে" তেতিয়া হয়তো তাই কৈ দিব— "দে অন্ততঃ এটা মতিৰ কাৰণে।"

মতিৰ মাকৰ জৈৱিক ক্ষুধাই উক উঠা কথাষাৰ স্পষ্ট কৈ নকৈ ইংগিতৰ সহায়ত প্রকাশ কৰা বাবে গল্পটো আকর্ষণীয় হৈ পৰিল। ভবেন্দ্রনাথ শইকীয়াৰ গল্পত এনে কথাৰ ইংগিতধর্মী ব্যঞ্জনা প্রায়েই দেখা যায়।

ভবেন্দ্রনাথ শইকীয়াৰ গল্পত ব্যঙ্গও আছে আৰু সেই ব্যঙ্গ অতি তীব্র। কিন্তু তেওঁৰ গল্পৰ প্রধান আৰু সকলোতকৈ মন কৰিবলগীয়া বৈশিষ্ট্যটো হ'ল বাস্তৱ জীৱনৰ যথাযথ আৰু পুঙ্খানুপুঙ্খ বর্ণনাৰ চাতুর্য। এনে বাস্তৱ ছবি চিত্রণৰ বর্ণনাৰ আগত তেওঁৰ গল্পৰ কাৰুণ্য, ব্যঙ্গ সকলোবোৰ ম্লান পৰি যায়। সমাজ সমালোচনাত শইকীয়াৰ গল্পত আছে। অনেকে ক'ব খোজে শইকীয়াৰ গল্পত সমাজ সমালোচনা নাই। দৰাচলতে এয়া ভ্রান্ত ধাৰণা মাথোন। কিয়নো কোনো সাহিত্যিকেই সমাজৰ ঊর্ধত হ'ব নোৱাৰে। সমাজৰ সমালোচনা যিকোনো ৰূপতে লেখকজনৰ লেখনিত প্রকাশ পাবই। ভবেন্দ্রনাথ শইকীয়াৰ গল্পতো সমাজৰ সমালোচনা আছে আৰু এই সমালোচনা ব্যঙ্গৰ মাজেৰে প্রকাশ পাইছে।

ভবেন্দ্রনাথ শইকীয়াৰ কেইটামান বিশেষ গল্প বিদেশৰ পটভূমিত ৰচিত। সেই গল্পসমূহৰ মাজেদি কিছুমান চিৰন্তন মানৱীয় অনুভূতি প্রকাশ পাইছে। বিদেশৰ পটভূমিত ৰচিত তেওঁৰ গল্পসমূহৰ ভিতৰত 'নাটঘৰ', 'এই বন্দৰৰ আবেলি', 'পলায়ন' আদি উল্লেখযোগ্য। নাটঘৰ গল্পটোৰ মাজেদি এঞ্জেলা নামৰ সর্বহাৰা গাভৰু এগৰাকীৰ জীৱনৰ মর্মান্তিক গাথা বিধৃত হৈছে। এই বন্দৰৰ আবেলিৰ মুখ্য চৰিত্র ইব্রাহিম মিঞাই বিদেশতো নিজৰ দেশৰ সংস্কৃতি আৰু প্রমূল্য ৰক্ষা কৰিবলৈ চেষ্টা চলাইছিল। কিন্তু সেই চেষ্টাত তেওঁ কৃতকার্য নহৈছিল। ব্যঙ্গ ভাবৰ তীব্র প্রকাশ গল্পটোত অনুভূত হয়।

পলায়ন গল্পটোত কিদৰে এগৰাকী ভাৰতীয় মূলৰ নাৰী ৰুক্মিণী দেৱী বিদেশৰ এগৰাকী তৰুণ গৱেষকৰ গৱেষণাৰ 'স্পেচিমেন' ৰূপে পৰিগণিত হৈছিল, তাৰ মৰ্মস্পৰ্শী বিৱৰণ আছে।

ভবেন্দ্রনাথ শইকীয়াৰ গল্পত আধ্যাত্মিক উপলব্ধিৰ অভাৱ পৰিলক্ষিত হয়। জীৱনৰ চিৰন্তন মৌলিক প্রশ্ন বা সমস্যাসমূহৰ অনুসন্ধানো তেওঁৰ গল্পত অনুপস্থিত। এনে দুই এটি পট বিচ্যুতি থকা সত্ত্বেও ভবেন্দ্রনাথ শইকীয়াৰ গল্পৰ আকর্ষণ আছে। গল্পবোৰত প্রয়োগ কৰা চিত্রধর্মী বর্ণনা, বর্ণনাভঙ্গীৰ চমৎকাৰিতাৰ বাবে ভবেন্দ্রনাথ শইকীয়াৰ গল্পৰ জনপ্রিয়তাও আছে। কিছু খুটি-নাটি আৰু কিছু ইতিবাচক দিশৰ বৈশিষ্ট্যৰ বাবে অসমীয়া চুটিগল্পৰ ধাৰাটোও ভবেন্দ্রনাথ শইকীয়াৰ এখনি সুকীয়া স্থান আছে। নিঃসন্দেহে ভবেন্দ্রনাথ শইকীয়া এগৰাকী শ্রেষ্ঠ গল্পকাৰ।



অগ্রগতি নিৰীক্ষণ

২ নং প্রশ্ন ঃ ভবেন্দ্রনাথ শইকীয়াৰ গল্পৰ প্রধান বৈশিষ্ট্যসমূহ কি কি? (150 টা শব্দৰ ভিতৰত)

৫.৪ 'সেন্দূৰ'

'সেন্দূৰ' গল্পটো ভবেন্দ্রনাথ শইকীয়াৰ একে নামৰ গল্প সঙ্কলনৰ পৰা উদ্ধৃত। গল্পটোৰ ৰচনাৰ সময় 1962। ইয়াত দৈনন্দিন জীৱনত সংঘটিত হোৱা কাহিনীৰ আলমত দুই ভিন্ন নাৰী চৰিত্রৰ মানসিক জগতৰ ওপৰত আলোকপাত কৰা হৈছে। নিজৰ প্রিয় পুৰুষজনৰ প্রতি কোনো পৰ নাৰীয়ে সৌহাদ্যপূর্ণ আচৰণ প্রদর্শন কৰিলেও কোনো কোনো সময়ত একো গৰাকী নাৰী ঈর্ষাৰ দাবানলত জ্বলি-পুৰি মৰে। ফলত দ্বিতীয় গৰাকী নাৰীৰ মনত কোনো অসৎ অভিপ্রায় নোহোৱাকৈয়েই লাঞ্ছনা আৰু অপমানৰ পাত্রী হয়। ইয়াত ললিতা নামৰ নাৰী চৰিত্রটোও তেনে এটা মানসিক দ্বন্দ্বৰ দ্বাৰা আক্রান্ত।

১০.৪.১ গল্পটোৰ সাধাৰণ আলোচনা

'সেন্দূৰ' গল্পটোত *সেন্দূৰ*ৰ কথা মাথোন দুবাৰ উল্লেখ কৰা হৈছে। বিয়া কৰাই অনা ললিতাৰ বাবে "নন্দই ক'ৰবাৰ পৰা এটেমা বৰ উজ্বল ৰঙৰ সেন্দূৰ যোগাৰ কৰিছে, ৰাতিপুৱা গা ধুই ললিতা পিছফালে ওলাই আহিলে, গছৰ পাতৰ কোনোবা সুৰুঙাইদি ৰাতিপুৱাৰ পোহৰ মাত্র এপাহ পলাশ ফুলত পৰাদি যেন লাগে।" সেই একেজনী ললিতাৰ কপালৰ উজ্বল সেন্দূৰখিনি — "গছপাতৰ সুৰুঙাইদি অহা ৰ'দত জিলিকি উঠা এপাহ পলাশ ফুলৰ নিচিনাকৈ মাছ বজাৰতো জিলিকি আছে।" গল্পটোৰ আৰম্ভণি আৰু মধ্যভাগত এনেদৰে সেন্দূৰৰ উল্লেখ থাকিলেও সেন্দূৰকে কেন্দ্রীয় ভাব যেন নালাগে। ইয়াৰ কাৰণ সম্ভৱতঃ গল্পকাৰৰ পুঙ্খানুপুঙ্খ বর্ণনাৰ চখ। গল্পটো ললিতা আৰু মণিকা

এই দুই নাৰীক দুটা ভিন্ন অথচ বিপৰীত দিশৰ পৰা বিশ্লেষণ কৰা হৈছে। মণিকা দৰদী, সহানুভূতিশীলা অথচ নাৰীৰ সহজাত প্ৰবৃত্তি পৰাও মুক্ত নহয়। সেয়েহে ৰায়চৌধুৰীক ললিতাৰ পৰা নিৰাপদ দূৰত্বত থাকিবলৈ উপদেশ দিবলৈ সংকোচ কৰা নাই। নাৰীৰ সন্দেহবাদী মনোভাৱৰ পৰিচয় মণিকাৰ মাজেৰে ফুটাই তোলাত লেখক সফল হৈছে। তাৰ বিপৰীতে ললিতাক তেনেই সহজ-সৰল, কৰ্তব্যপৰায়ণ নাৰী হিচাপে চিত্ৰিত কৰিছে। ললিতা কিন্তু আত্মসচেতন নাৰী। সেয়েহে বন কৰা ছোৱালীজনীৰ কথাই তাইক ক্ষুব্ধ কৰি দিছে। অদ্ভুত যন্ত্ৰণাত তাইৰ বুকুখন মোচোকা খাই উঠিছে আৰু এই কথা বুজি তাই নিজেই নিৰাপদ দূৰত্বত অৱস্থান কৰিছে।

ললিতাই হেজাৰ বিপর্যয়ৰ মাজতো ৰঙাকৈ সেন্দূৰৰ ফোটটো ল'বলৈ নাপাহৰে। তাই উপলব্ধি কৰে — এই সেন্দূৰৰ ফোটটোৰ মাজতে নিহিত হৈ আছে তাইৰ প্ৰাপ্তি— তাইৰ আনন্দ; সকলো। তাইৰ উজ্জল সেন্দূৰকণ প্ৰাপ্তিৰ প্ৰতীক। জীৱিকাৰ বাবে তাই মাছ বজাৰলৈ গৈছে; অথচ মাছ বজাৰতো তাইৰ কপালৰ উজ্বল সেন্দূৰকণে শোভা বৃদ্ধি কৰিছে। নাৰী জীৱনৰ চৰম আনন্দ সেন্দূৰকণতে আছে — গল্পটোত সেই কথা আওপকীয়াকৈ হ'লেও ক'বলৈ বিচৰা হৈছে।

ত্ৰুটি-বিচ্যুতি কিছু থাকিলেও ভবেন্দ্রনাথ শইকীয়াৰ *সেন্দূৰ* এটা সার্থক গল্প। শইকীয়াৰ গল্পৰ বৈশিষ্ট্যসমূহ, যেনে— পুঙ্খানুপুঙ্খ বর্ণনা, বর্ণনাৰ অভিনৱত্ব, সৰু সৰু কথাকে আকর্ষণীয় কৰি ক'বলৈ বিচৰা আদি বিশেষত্বসমূহ পাঠকে গল্পটোত পাব।

১০.৪.২ গল্পটোৰ কাহিনীভাগ

জাহাজ কোম্পানীৰ একাউটেণ্ট প্ৰভাকৰ ৰায়চৌধুৰীয়ে তেওঁলোকৰ ঘৰৰ নিচেই ওচৰতে সৰু ঘৰ এটি সাজি বসবাস কৰা নন্দৰ পত্নী ললিতাৰ পৰা বজাৰত মাছ এটা কিনাৰ প্ৰসঙ্গৰে আৰম্ভ হৈছে 'সেন্দূৰ' গল্পটো। ৰায়চৌধুৰীৰ ঘৰৰ সীমাতে লাগি থকা খেৰ বাঁহৰ ঘৰটোত নন্দৰ সৈতে তাৰ মাক আজলী বুঢ়ীও বাস কৰে। নন্দই তাৰ চাইকেলখনতে মাছৰ পাচিটো লৈ বজাৰত মাছ বিক্ৰী কৰে। অকলশৰীয়া মুহূর্তবোৰৰ সংগী হ'বলৈ নন্দই এদিন ললিতাক আনি ঘৰ সুমুৱালে। নন্দই যোগাৰ কৰি দিয়া উজ্বল ৰঙৰ সেন্দূৰ পিন্ধি ললিতাই নন্দৰ ঘৰ উজলালে। ৰায়চৌধুৰীহঁতৰ দ্বিতীয় সন্তানৰ অন্নপ্রাসনৰ সময়ত ললিতাই ৰায়চৌধুৰীৰ পত্নী মণিকাক যথেষ্ট পৰিমাণে সহায় কৰিলে। মণিকা ললিতাৰ প্ৰতি সহৃদয় হৈ পৰিল— "মানুহজনী নোহোৱা হ'লে আজি মোৰ অৱস্থা বেয়াই হ'লহেঁতেন।"

ইয়াৰ পিছত মণিকাৰ পেটৰ অসুখটোৱে স্থায়ীভাৱে বাহ ল'লে। এটা মেজৰ অপা�ৰেচন কৰিবলৈও ডাক্তৰে পৰামর্শ দিলে। পিছে সৰু সৰু ল'ৰা-ছোৱালী দুটাক এৰি হাস্পতালত পৰি থাকিবলৈহে মণিকাৰ আপত্তি। ইতিমধ্যে আজলী বুঢ়ীৰ বিষ আৰু কাহ বেছি হ'বলৈ ধৰিলে। ললিতাৰ ল'ৰা এটাৰ জন্ম হ'ল। লোদোৰ পোদোৰ চেহেৰাৰ

ললিতাৰ ল'ৰাটোক কিছুদিন লৈ ফুৰাৰ পিছত আজলী বুঢ়ীও এদিন মৰি থাকিল। ইতিমধ্যে ইটো সিটো কাম-কাজ কৰি দি মণিকাহঁতৰ প্ৰিয় হৈ পৰিল ললিতা। ললিতাৰ পুষ্ট শৰীৰটোলৈ লক্ষ্য কৰি ৰায়চৌধুৰীৰ অসুস্থ পত্নী মণিকা কিছু শঙ্কিত হৈ পৰিল আৰু ৰায়চৌধুৰীকো ইয়াৰ ইংগিত দিলে। পেটৰ বিষটো বেছি হোৱাত মণিকাই মাকক ঘৰখনত থৈ অপাৰেচনৰ বাবে হাস্পতাললৈ গ'ল। সেইখিনি সময়ত বনকৰা সৰু ছোৱালীজনীকে দায়িত্ব দি গ'ল ললিতাৰ ওপৰত নজৰ ৰাখিবলৈ। মণিকাই গিৰীয়েককো লাজ মান বচাই চলিবলৈ উপদেশ দি গ'ল। ৰায়চৌধুৰী আচৰিত হ'ল যদিও কথা নবঢ়াই মনে মনে থাকিল। বনকৰা ছোৱালীজনীয়ে ললিতাক সকলো কথা কৈ দিয়াত ললিতা মণিকাহঁতৰ ঘৰলৈ অহাটো কমাই দিলে; মাতিলেহে আহে আৰু তলমূৰকৈ কামখিনি কৰিয়েই গুছি যায়গৈ।

মণিকা ভাল হৈ ঘৰলৈ আহি বনকৰা ছোৱালীজনীক ললিতাৰ কথা সোধে। ললিতা মণিকাহঁতৰ ঘৰলৈ একেবাৰে নহাই হ'ল। মণিকাইও ভালেই পালে। ললিতা এতিয়া নন্দক সহায় কৰিবলৈ বজাৰলৈ ওলাল। মাছ বজাৰতো "গছপাতৰ সুৰুঙাইদি অহা ৰ'দতে জিলিকি উঠা এপাহ পলাশ ফুলৰ নিচিনাকৈ ললিতাৰ কপালৰ উজ্বল সেন্দূৰখিনি জিলিকি উঠিল।"

এনেতে, সদায়ে মাছ কিনা জাহাজঘাটৰ বজাৰখনত মাছ নোলোৱা বাবে ললিতাই মাছ বেচা বজাৰখনলৈ মাছ কিনিবলৈ আহিবলগীয়া হ'ল ৰায়চৌধুৰী। তেজাল ৰৌ মাছ আগত লৈ বহি থকা ললিতাই ৰায়চৌধুৰীক মাছ নিব নেকি সুধিলে। ললিতাৰ পৰা আতঁৰি যাব খোজা ৰায়চৌধুৰীয়ে অৱশেষত ললিতাৰ পৰা মাছটো কিনিলে; দহটকীয়া নোটখনৰ পৰা মাথোন তিনি টকাহে তাই মাছৰ মূল্য ৰাখিলে। মাছটো ঘৰলৈ লৈ আহি ৰায়চৌধুৰীয়ে মণিকাক সকলো কথা বিৱৰি ক'লে।

অশান্ত হৈ পৰিল মণিকাৰ মন। ললিতাই ৰায়চৌধুৰীক মাছটো এনেয়ে দিয়া বুলিও তেওঁ তিৰষ্কাৰ কৰিলে। উভয়ৰে মনোকষ্ট হ'ল। ৰায়চৌধুৰীৰ সেই মনোকষ্ট আৰু তীব্ৰ হৈ পৰিল যেতিয়া তেওঁৰ কাণত পৰিল ওচৰৰ ঘৰত নন্দই ললিতাক চেপা মাতেৰে ডবিয়াইছে।

পিছদিনা ৰাতিপুৱা নন্দ আহি ৰায়চৌধুৰীৰ ঘৰ ওলালত ৰায়চৌধুৰীৰ বুকুখন চিৰিংকৈ উঠিল। মণিকাইও পৰ্দাৰ আঁৰত ৰৈ পৰিস্থিতিৰ বুজ লৈ থাকিল। ললিতাই ৰায়চৌধুৰীৰ পৰা মাছৰ দাম লোৱা বাবে নন্দই লাজ পাইছে আৰু টকা তিনিটা ঘূৰাই দিবলৈ আহিছে। ৰায়চৌধুৰীয়ে 'নহয় নহয়' কৈ উঠিল যদিও নন্দই তেওঁলোকক দুই এটা মাছ এনেয়ে দি থাকিব লাগিছিল বুলিহে কয়। নন্দই টকা তিনিটা ৰায়চৌধুৰীৰ হাত গুজি দিলে।



অগ্রগতি নিৰীক্ষণ

৩ নং প্রশ্ন ঃ 'সেন্দূৰ' গল্পটোত দৈনন্দিন জীৱনৰ এটা সৰু ঘটনাই কিদৰে দুখন ঘৰৰ মাজত অদৃশ্য প্রাচীৰ এখন সৃষ্টি কৰিব পাৰে— সেই কথা কিদৰে কলাত্মক ৰূপত ফুটি উঠিছে ব্যাখ্যা কৰক। (150 টা শব্দৰ ভিতৰত)

১০.৪.৩ গল্পটোত প্রতিভাত হোৱা চৰিত্রসমূহ

ভবেন্দ্রনাথ শইকীয়াৰ 'সেন্দূৰ' গল্পটোত যিকেইটা চৰিত্র আছে তাৰ ভিতৰত ৰায়চৌধুৰী, নন্দ, মণিকা আৰু ললিতা এই চাৰিটা চৰিত্রই প্রাধান্য লাভ কৰিছে। বনকৰা ছোৱালী আৰু আজলী বুঢ়ীৰ উল্লেখ আছে যদিও এই চৰিত্র দুটাৰ বিশেষ ভূমিকা নাই। এই আলোচনাত প্রভাকৰ ৰায়চৌধুৰী, নন্দ, ললিতা আৰু মণিকাৰ চৰিত্রহে বিশ্লেষণ কৰা হ'ব।

- *প্রভাকৰ ৰায়চৌধুৰী ঃ* প্রভাকৰ ৰায়চৌধুৰী জাহাজ কোম্পানী এটাৰ একাউটেণ্ট। ওচৰত চুবুৰীয়াৰ সৈতে সদ্‌ভাব-মিলাপ্রীতিৰে থাকিব বিচৰা মানুহ ৰায়চৌধুৰী। সেয়েহে তেওঁলোকৰ ঘৰৰ সীমাতে লাগি থকা মাটিডোখৰত খেৰ-বাঁহেৰে ঘৰ সাজি মাছ বিক্রী কৰি জীৱন-নির্বাহ কৰা নন্দৰ ঘৰখনৰ সৈতে ৰায়চৌধুৰীৰ ঘৰৰ ভাল সম্পর্ক এটি গঢ়ি উঠিছে। নন্দৰ বুঢ়ী মাতৃ আজলীয়ে ভাত ৰান্ধি থকা অৱস্থাতো কেতিয়াবা ৰায়চৌধুৰীয়ে মাত এষাৰ দিয়ে। নন্দই বিয়া কৰাই অনা ললিতাৰ সৈতে ৰায়চৌধুৰী পৰিয়ালে পূর্বৰ সম্পর্ক বজাই ৰাখে। তেওঁ ললিতাকো বোৱাৰীৰ দৃষ্টিৰেই চালে। কিন্তু শেষলৈ তেওঁৰ পত্নী মণিকাৰ মনত ৰায়চৌধুৰী আৰু ললিতাৰ মাজত এটা সম্পর্ক থকা বুলি সন্দেহৰ বীজ ৰোপণ হ'ল। ৰায়চৌধুৰীক মণিকাই এইলৈ ককর্থনা কৰিলেও ৰায়চৌধুৰীয়ে কথা বাঢ়ি যোৱাৰ ভয়ত একো নোকোৱাকৈ থাকে।

  ৰায়চৌধুৰী এজন উদাৰমনা লোক হিচাপেই গল্পটোত চিত্রিত হৈছে। তেওঁৰ পত্নী মণিকাক অপাৰেচন কৰাবলৈ হস্পিতাললৈ যাবৰ সময়ত ৰায়চৌধুৰীক 'লাজ মান বচাই' চলিবলৈ যেতিয়া মণিকাই উপদেশ দিলে, তেতিয়া ৰায়চৌধুৰী হতভম্ব হৈ পৰিল— মণিকাক এই বিষয়ে বিশদভাৱে সোধাৰ সাহসো তেওঁৰ নহ'ল। ৰায়চৌধুৰীক এজন শান্তিপ্রিয় পুৰুষ হিচাপে গল্পকাৰে অঙ্কন কৰিছে। অনাহক কথা বঢ়াই পৰিয়ালত শান্তি বিঘ্নিত কৰিব তেওঁ নিবিচাৰে।
- *নন্দ ঃ* ৰায়চৌধুৰীৰ ঘৰৰ সীমাতে সৰুকৈ বাঁহ-খেৰেৰে সজা ঘৰ এটাত মাছ বিক্রী কৰি জীৱন-নির্বাহ কৰা নন্দ এজন সৎ, কর্তব্যপৰায়ণ পুৰুষ। ৰায়চৌধুৰীৰ প্রতি

নন্দৰ শ্রদ্ধা আছে, কৃতজ্ঞতাবোধো আছে। সেয়েহে নন্দই ললিতাই ৰায়চৌধুৰীৰ পৰা মাছটোৰ মূল্য লোৱাত তীব্র প্রতিবাদ জনাই পিছদিনা টকা তিনিটা ওভোতাই দি আহিল। নন্দ সাধাৰণ খাটি খোৱা শ্রেণীটোৰ প্রতীক। গল্পটোত নন্দৰ ভূমিকা বেছি নাই যদিও অলপ সময়ৰ পৰিসীমাতে চৰিত্রটো উজ্বল ৰূপত প্রতিভাত হৈছে।

- *ললিতা ঃ* ললিতা সহজ-সৰল পৰিশ্রমী নাৰী। নন্দৰ সৈতে বিয়া হোৱাৰ পিছত তাই ৰায়চৌধুৰীৰ পৰিয়ালৰ সৈতে ঘনিষ্ঠ হৈ পৰিছে আৰু মণিকাৰ ইটো-সিটো কাম-কাজত যৎপৰোনাস্তি সহায় আগবঢ়াইছে। আনকি মণিকা অপাৰেচনৰ বাবে হস্পিতাললৈ যোৱাৰ পিছত ঘৰখনৰ সকলো কাম-কাজ নিয়াৰিকৈ কৰিছে। কিন্তু মণিকাহঁতৰ সৰু বনকৰা ছোৱালীজনীৰ পৰা যেতিয়া গম পালে যে মণিকাই বনকৰা ছোৱালীজনীক ললিতাৰ ওপৰত নজৰ ৰাখিবলৈ কৈ গৈছে, ললিতা স্তব্ধ হৈ গৈছে। এক অদ্ভুত যন্ত্রণাত তাইৰ বুকুখন মোচোকা খাই উঠিছে। মণিকাহঁতৰ ঘৰৰ কূটা এগছতো তাই কোনোদিনেই হাত দিয়া নাই। সততা আৰু নিষ্ঠাৰে তাই ঘৰখনত কাম কৰি গৈছে। অথচ সেই ললিতাকে মণিকাই সন্দেহৰ আৱর্তত সোমোৱাইছে। ললিতা সচাঁকৈয়ে আচৰিত হ'ল। ললিতাই মণিকাহঁতৰ ঘৰলৈ অহাটো পাতলাই দিলে। মণিকাৰ মাকে মাতি পঠালেহে আহে যদিও অদ্ভুত বেদনা আৰু সংকোচত তাই ম্লান হৈ থাকে। অৱশেষত ললিতাই মণিকাহঁতৰ ঘৰলৈ অহাই বাদ দিলে।

গল্পটোত ললিতাক আত্মসচেতন নাৰী হিচাপেই দেখুওৱা হৈছে। পতিৰ সুখ-দুখত সমভাগী হোৱা ললিতাই নন্দৰ ব্যৱসায় বেয়া হোৱাত লাজ মান এৰি মাছৰ পাচি লৈ বজাৰত বহিছে আৰু এই কামটোৰ প্রতি তাই সম্পূর্ণ মনোযোগ দিছে। অন্যান্য গ্রাহকে মাছৰ বাবে আবেদন জনোৱাৰ দৰেই ৰায়চৌধুৰীকো আবেদন জনাইছে মাছ কিনিবলৈ। ক'তো অকণো জড়তা দেখুওৱা নাই। অথচ সেই ললিতাই ঘৰলৈ আহি নন্দৰ পৰা তিৰস্কাৰ পাইছে মাছটোৰ মূল্য লোৱা বাবে (একে সময়তে মণিকাইও তিৰষ্কাৰ কৰিছে ৰায়চৌধুৰীক ললিতাই মাছটো এনেয়ে দিয়া বুলি ধাৰণা কৰি)। ললিতা ধীৰ-স্থিৰ নাৰী আৰু সকলো সময়তে নন্দই দিয়া উজ্বল সেন্দূৰখিনিৰ প্রতি শ্রদ্ধাশীল। সেয়েহে মাছ বজাৰতো তাইৰ সেন্দূৰৰ ফোটটোৱে 'গছপাতৰ সু�ৰঙাইদি অহা ৰ'দত জিলিকি উঠা এপাহ পলাশ ফুলৰ নিচিনাকৈ' উঠলি উঠিছে।

- *মণিকা ঃ* মণিকাৰ মাজেৰে গল্প লেখকে নাৰীৰ সহজাত প্রবৃত্তি কিছুমান দাঙি ধৰিছে। মণিকাৰ দ্বিতীয় সন্তানটোৰ মুখত ভাত দিয়াৰ সময়ত ঢলপুৱাৰে পৰা মাজনিশালৈকে অক্লান্তভাৱে পৰিশ্রম কৰা ললিতাৰ উদ্দেশ্যে মণিকাই অকপটে কৈ উঠিছে— "মানুহজনী নোহোৱা হ'লে আজি মোৰ অৱস্থা বেয়াই হ'লহেঁতেন।" সেইজনী মণিকাই ঘৰ মচি থকা ললিতাৰ ভৰুণ গাভৰু শৰীৰটোলৈ লক্ষ্য কৰি

মনৰ মাজত এক অব্যক্ত কীটৰ জন্ম দিলে; যাৰ পৰিণতিত তাই হস্পিতাললৈ যোৱাৰ সময়ত ললিতাৰ ওপৰত নজৰ ৰাখিবলৈ সৰু বনকৰা ছোৱালীজনীক দায়িত্ব দি গ'ল। মণিকা অৱশ্যেই নিজৰ ষ্টেটাছ সম্পর্কে সচেতন নাৰী। বনকৰা ছোৱালীজনীক একাষৰীয়াকৈ মাতি কথাবোৰ ক'ব খুজিও তাই ৰৈ গৈছে। উচিত অযুক্তিকৰ প্রশ্ন এটাই মণিকাৰ মনৰ মাজত প্রতিক্রিয়া কৰিলেও গিৰীয়েক ৰায়চৌধুৰীক কিন্তু ককর্থনা কৰিবলৈ এৰা নাই। সেয়েহে হাস্পতাললৈ যোৱাৰ আগতে ৰায়চৌধুৰীকো উপদেশ দি গৈছে 'লাজ মান বচাই' চলিবলৈ।

লাহে লাহে ললিতাই মণিকাহঁতৰ ঘৰলৈ আহ যাহ বন্ধ কৰাতো মণিকাৰ মনৰ পৰা সন্দেহৰ বীজ আঁতৰি যোৱা নাই। সেয়েহে তিনি টকাত ললিতাৰ পৰা ৰৌ মাছটো অনা বুলি ক'লতো তাই গিৰীয়েকৰ কথা বিশ্বাস কৰা নাই। এই বিশ্বাসে তাইৰ অন্তৰত দৃঢ় হৈ খোপনি পোতাত খাবৰ সময়তো মণিকাই শান্তিৰে খাব পৰা নাই, মাছ টুকুৰা পিটিকি-মোহাৰি আছে।

এনেবোৰ বর্ণনাৰে মণিকা চৰিত্রৰ অন্তর্নিহিত বৈশিষ্ট্যখিনি প্রকট হৈ পৰিছে। এজনী নাৰীয়ে আন এজনী নাৰীক (বিশেষ কিছুমান প্রসঙ্গত) সন্দেহ কৰাতো নাৰীৰ এক সহজাত প্রবৃত্তি। মণিকাও ইয়াৰ ঊর্ধত নহয়। সেয়েহে তাই ললিতাক সন্দেহ কৰে; আনকি তাইৰ গিৰীয়েক ৰায়চৌধুৰীকো সন্দেহ কৰে। মণিকাৰ মাজেৰে নাৰীৰ এই সন্দেহপ্রৱণতা গল্পকাৰে সুন্দৰভাৰে ফুটাই তুলিছে।

- *আজলী বুঢ়ী ঃ* নন্দৰ মাতৃ আজলী বুঢ়ী আমাৰ লোক সমাজৰ তথাকথিত বৃদ্ধাৰ প্রতিভূ। লোক সমাজত লোক দৰৱৰ প্রতি আছে গভীৰ আস্থা। মণিকাৰ কেঁচুৰাটোৰে কান্দি থকাত আজলী বুঢ়ীৰ পৰামর্শমতে কেঁচুৰাৰ ডিঙিত এডাল ক'লা সূতা আৰু এটা সৰু টোপোলা গাঁঠি দিলে। কেচুৰাৰ কান্দোন ক্রমাৎ বন্ধ হ'ল। ৰায়চৌধুৰীয়ে ডাক্তৰৰ পৰামর্শ মতে ঔষধ দিলে যদিও আজলী বুঢ়ীয়ে ভাবিলে তেওঁ ক'লা সূতা আৰু বন দৰৱ দিয়াতহে কেচুৰাৰ কান্দোন বন্ধ হ'ল। গ্রাম্য সমাজত লোক ঔষধৰ যে আদৰ আছে তাকেই দেখুওৱা হৈছে আজলী বুঢ়ী চৰিত্রটোৰ জৰিয়তে। মণিকাৰ দ্বিতীয় সন্তানটোৰ বেলিকাও আজলী বুঢ়ীয়ে অনেক পৰিশ্রম কৰিলে।

আজলী বুঢ়ী সহৃদয়া নাৰী। আনৰ দুখত দুখী, আনক সহায় কৰিবলৈ সদা তৎপৰ এগৰাকী নাৰী হ'ল আজলী বুঢ়ী।



অগ্রগতি নিৰীক্ষণ

৪ নং প্রশ্ন ঃ 'সেন্দূৰ' গল্পত স্বামী-স্ত্রীৰ সম্পর্কটোক গল্পকাৰে কিদৰে উপস্থাপন কৰিছে? (150 টা শব্দৰ ভিতৰত)

১০.৪.৪ গল্পটোৰ বিশেষত্ব

ভবেন্দ্রনাথ শইকীয়াৰ গল্পত পৰম্পৰাবাদী ধাৰাটোৰ পূর্ণতা দেখা যায়। তেওঁৰ গল্পত থাকে কাহিনী কোৱাৰ প্রৱণতা। চিত্রধর্মী বর্ণনাৰ অভিনৱ চাতুর্যৰ বাবে তেওঁৰ গল্পসমূহে আমনিদায়ক নহয়। Suggestive detailsৰ পৰিৱর্তে ভবেন্দ্রনাথ শইকীয়াৰ গল্পত সাধাৰণ খুটি-নাটিবোৰৰ বহল বর্ণনা পোৱা যায়। চেকভ আৰু মোপাছাঁৰ দৰেই জীৱনৰ তুচ্ছাতিতুচ্ছ কথাবোৰো তেওঁৰ সম্মুখত গুৰুত্বপূর্ণ হৈ পৰে। অৱশ্যে চেকভ বা মোপাছাঁৰ গল্পৰ সংক্ষিপ্ত ৰূপ শইকীয়াৰ গল্পত অৱর্তমান। তথাপি এক মনোৰম কথনভঙ্গীৰে ভবেন্দ্রনাথ শইকীয়াৰ গল্প পৰিণতিলৈ আগবাঢ়ে। তেওঁৰ *সেন্দূৰ*গল্পটোৰো তেনে কিছু বিশেষত্ব পৰিলক্ষিত হয়।

ভবেন্দ্রনাথ শইকীয়াই তেওঁৰ গল্পত সদায়ে সহজতে ঢুকি পোৱা ঘটনাসমূহৰ পৰা উপমা আদি অলংকাৰ ব্যৱহাৰ কৰে। উদাহৰণ স্বৰূপে, *সেন্দূৰ*গল্পটোৰ আৰম্ভণি ছেদটোকে উল্লেখ কৰিব পাৰি— " লগৰীয়াৰ লগত হাঁহি-মাতি, মুকলি মনেৰে প্রচেছন কৰি গৈ থকা কলেজীয়া ছোৱালী হঠাতে বাটৰ কাষত থিয় হৈ প্রচেছন চাই থকা দেউতাকৰ চকুৰে চকুৰে পৰিলে যেনেকৈ অলপ কোঁচ খাই যায়, সোনকালে দেউতাকক পাৰ হৈ যাবলৈ চেষ্টা কৰে, মাছ বজাৰৰ মাজতে জাহাজ কোম্পানীৰ একাউটেণ্ট প্রভাকৰ ৰায়চৌধুৰী তেনেকৈ কোঁচ খাই গ'ল আৰু ডিঙি মেলি মাছ চাই ফুৰা অইন মানুহৰ আঁৰেদি তলমূৰকৈ ললিতাক পাৰ হৈ যাবলৈ লৰালৰি কৰিলে।"

সেইদৰে "গা ধুৱাওঁতে কেঁচুৱাৰ গাত হাত ফুৰোৱাৰ নিচিনাকৈ মাছকেইটাৰ গাত হাত ফুৰাইছিল।" আৰু "গছপাতৰ সুৰুঙাইদি অহা ৰ'দত জিলিকি উঠা এপাহ পলাশ ফুলৰ নিচিনাকৈ ললিতাৰ কপালৰ উজ্বল সেন্দূৰখিনি মাছ বজাৰত জিলিকি থাকিল।"

গল্পটোৰ কেন্দ্রীয় চৰিত্র প্রভাকৰ ৰায়চৌধুৰী যদিও, তেওঁৰ সৈতে সমস্ত ঘটনাত জড়িত হৈ পৰিছে নন্দৰ পত্নী ললিতা। প্রভাকৰ ৰায়চৌধুৰী নিঃসন্দেহে উদাৰমনা পুৰুষ। আনহাতে ললিতাও এগৰাকী সহজ-সৰল আত্মসচেতন নাৰী। ললিতা নিজৰ স্থিতি সম্পর্কে সকলো সময়তে সজাগ হৈ আছে। গল্পকাৰৰ বর্ণনাত ললিতাৰ চৰিত্রটো অধিক উজ্বল আৰু আকর্ষণীয় হৈ উঠিছে। আনহাতে মণিকা তথাকথিত আন দহজনী নাৰীৰ দৰেই সন্দেহপ্রৱণা অথচ সংসাৰ সম্পর্কে অধিক সচেতন মনৰ নাৰী। মণিকা নিজ স্বার্থৰ প্রতিও সজাগ। সেয়েহে মণিকাৰ ঘৰত সকলো কাম-কাজ কৰা ললিতাৰ প্রতি অধিক ভাল ভাব পোষণ কৰিও ঘৰ মচি থকা অৱস্থাত খহি পৰা তাইৰ চাদৰ, তাইৰ ভৰুণ শৰীৰটোলৈ লক্ষ্য কৰি অধিক সজাগ হৈ পৰিছে; মনৰ মাজত ক'ৰবাত সন্দেহৰ বীজ ৰোপিত হৈছে— তাইৰ অলক্ষিতে ৰায়চৌধুৰীয়ে ললিতাৰ শৰীৰটোলৈ কিজানিবা কোনোবা অসতর্ক মুহূর্তত দৃষ্টি নিক্ষেপ কৰেই। সেয়েহে মণিকা অধিক

সজাগ হৈ পৰিছে যিয়েই চৰিত্রটোক মহত্ব খর্ব কৰিছে। আনহাতে, ললিতাক লেখকে উজ্বল ৰূপত দাঙি ধৰিছে। একেদৰে ললিতাৰ পতি নন্দ চৰিত্রটোৰ মহত্ত্বও প্রকাশ পাইছে। কৃতজ্ঞতাত গদ্ গদ্ হৈ সি টকা তিনিটা ৰায়চৌধুৰীক ওভোতাই দিছে।

গল্পটোত কিছু ত্রুটি নথকা নহয়। পুঙ্খানুপুঙ্খ বর্ণনা দিবলৈ যাওঁতে অপ্রয়োজনীয় কিছু বর্ণনাই গল্পটোক সৌন্দর্য ম্লান কৰিছে। অৱশ্যে তেনে বর্ণনাই সেই ঘটনা আৰু পৰিস্থিতিৰ যথাযথ ছবি এখন দাঙি ধৰাত সহায় কৰিছে। উদাহৰণ স্বৰূপে, নন্দহঁতৰ ঘৰটোৰ বর্ণনা, মাছ বজাৰৰ বর্ণনা, বাটে পথে লগ পোৱা মানুহকেইজনৰ বর্ণনালৈ আঙুলিয়াব পাৰি।

নাৰীমনৰ বিচিত্রতা গল্পটোৰ অন্যতম বিশেষত্ব। মণিকাৰ জৰিয়তে এই বৈচিত্র্য প্রকাশ পাইছে। অভিজাত নাৰীৰ নিম্ন বিত্ত সমাজৰ নাৰীৰ প্রতি মনোভাব, সহানুভূতি আৰু ঈর্ষা সকলোবোৰ 'সেন্দূৰ' গল্পটিৰ মাজেৰে গল্পকাৰে অতি মনোৰমকৈ প্রকাশ কৰিবলৈ সক্ষম হৈছে।



১০.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিৰ অধ্যয়নৰ মাজেদি আমি ভবেন্দ্রনাথ শইকীয়াৰ গল্প ৰচনাসমূহৰ বৈশিষ্ট্যৰ লগত পৰিচিত হ'লোঁ।
- ভবেন্দ্রনাথ শইকীয়া ৰামধেনু যুগৰ এগৰাকী শক্তিশালী গল্পকাৰ। তেওঁৰ ৰচনাত সমসাময়িক সমাজ জীৱনৰ মনোজ্ঞ ৰূপ ফুটি উঠিছে।
- 'সেন্দূৰ' গল্পটোত নাৰীৰ নাৰীৰ প্রতি থকা সন্দেহপ্রৱণতাৰ ৰূপটো গল্পটোত প্রতিভাত হৈছে। দুই ভিন্নধর্মী নাৰী মনৰ তুমুল দ্বন্দ্বত এজন নিমাখিত পুৰুষ মানসিকভাৱে বিধ্বস্ত হোৱা পৰিলক্ষিত হৈছে।
- গল্পৰ মূল উপজীব্য আৰু চৰিত্রৰ মানসিক জগতৰ সন্ভেদ পাঠকক দিবলৈ গৈ শইকীয়াই বর্ণনাৰ আশ্রয় লৈছে। সহজতে ঢুকি পোৱা আমাৰ বাস্তৱ তথা দৈনন্দিন জীৱনৰ সৈতে মিল থকা কথাবোৰৰ সৈতে ৰজিতা খোৱাকৈ বর্ণনাবোৰ হোৱাত সেই বর্ণনীয় কথাৰ আকর্ষণীয়তা বৃদ্ধি পাইছে।
- 'সেন্দূৰ' গল্পটোত চিত্রিত হোৱা দৈনন্দিন জীৱনৰ সাধাৰণ ঘটনাটোৰ মাজেদি সূক্ষ্মদর্শী গল্পকাৰ গৰাকীয়ে মানৰ চৰিত্রৰ দোষ-ত্রুটি মিশ্রিত ৰূপটো উদ্ভাসিত হৈছে। ঘটনাটো নিচেই সাধাৰণ। অথচ সেই সাধাৰণ ঘটনাটোৰে দুগৰাকী নাৰীৰ মানসিক জগতত যি প্রতিক্রিয়াৰ সৃষ্টি কৰিছিল, সেয়া অধিক লক্ষণীয়।
- গল্পটোৰ এটা আকর্ষণীয় দিশ হৈছে নন্দহঁতৰ নিচিনা সৰু সৰু মানুহৰ মনৰ উদাৰতা আৰু নিঃস্বার্থ মনোভাব। এইদৰে 'সেন্দূৰ' গল্পটো ভবেন্দ্রনাথ শইকীয়াৰ এটা মনোৰম কলাকৃতি ৰূপে প্রতিপন্ন হৈছে।



১০.৬ অধিক জানিবলৈ

1) গগৈ, লীলা (সম্পা.) (2002); *আধুনিক অসমীয়া সাহিত্যৰ পৰিচয়;* গুৱাহাটী ঃ বনলতা।
2) গগৈ, হৃদয়ানন্দ (সম্পা.) (1998); *গল্প আৰু শিল্প;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।
3) গোস্বামী, ত্ৰৈলোক্যনাথ (2006); *আধুনিক অসমীয়া গল্প সাহিত্য;* গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড।
4) দত্ত, উদয় (1995); *চুটিগল্প;* গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্টোৰ্ছ।
5) নেওগ, মহেশ্বৰ (2000); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।
6) বৰগোহাঞি, হোমেন (সম্পা.)(2004); *অসমীয়া গল্প সঙ্কলন (প্ৰথম খণ্ড);* গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।
7) বৰুৱা, প্ৰহ্লাদ কুমাৰ (2005); *অসমীয়া চুটিগল্পৰ অধ্যয়ন;* গুৱাহাটী ঃ বনলতা।
8) ভট্টাচাৰ্য্য, পৰাগ কুমাৰ (1993); *গল্পৰ প্ৰসঙ্গ আৰু অসমীয়া গল্প সাহিত্য;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।
9) ভট্টাচাৰ্য্য, বসন্ত কুমাৰ (2003); *অসমীয়া চুটিগল্পৰ সুবাস;* নলবাৰী ঃ জাৰ্ণেল এম্প'ৰিয়াম।
10) শইকীয়া, প্ৰীতি (সম্পা.) (2007); *ড^{0} ভবেন্দ্রনাথ শইকীয়াৰ গল্প সমগ্ৰ;* গুৱাহাটী ঃ বনলতা।
11) শৰ্মা, সত্যেন্দ্রনাথ (2006); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত ;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।



১০.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১ নং প্ৰশ্নৰ উত্তৰ ঃ ভবেন্দ্রনাথ শইকীয়াৰ জীৱনীৰ চমু উল্লেখ। তেওঁৰ কৃতিসমূহৰ চমু লেখ।

২ নং প্ৰশ্নৰ উত্তৰ ঃ গল্পকাৰ ভবেন্দ্রনাথ শইকীয়াৰ বিষয়ে দু-আষাৰ... ...তেওঁৰ গল্পৰ প্ৰধান বৈশিষ্ট্যসমূহ একাদিক্ৰমে কাহিনী ভাগৰ চিত্ৰধৰ্মী বৰ্ণনা, গল্পত সন্নিৱিষ্ট কৰা খুটি-নাটি দিশসমূহে কিদৰে মূল কাহিনীভাগৰ আকৰ্ষণীয়তা বৃদ্ধি কৰিছে... ...চৰিত্ৰৰ মানসিক জগতৰ সম্ভেদ... ...প্ৰতীক, উপমা আৰু চিত্ৰকল্পৰ মনোজ্ঞ প্ৰয়োগ... ...ইঙ্গিতধৰ্মিতা... ...তীব্ৰ ব্যঙ্গ... ...মানবীয় অনুভূতিৰ স্ফূৰণ।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ কাহিনীটোৰ চমু লেখ... ...এটা মাছক কেন্দ্ৰ কৰি মণিকাৰ মানসিক জগতত তোলপাৰ লগোৱা চিন্তা... ...গিৰীয়েকৰ লগত তাৰ বাবে হোৱা মানসিক সংঘাত...

...পৰিণতি স্বৰূপে ওচৰ-চুবুৰীয়া নন্দহঁতৰ পৰিয়ালৰ পৰা বিচ্ছিন্ন হোৱা প্ৰক্ৰিয়া।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ গল্পটোৰ কাহিনীৰ চমু লেখ... ...দুযোৰ স্বামী-স্ত্ৰীৰ সম্পৰ্ক আৰু উদ্ভৱ হোৱা নতুন পৰিস্থিতিয়ে উভয় দম্পতীৰ জীৱনলৈ অনা বিচিত্ৰ পৰিস্থিতিৰ লেখ।



১০.৮ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ ভবেন্দ্ৰনাথ শইকীয়াৰ সাহিত্য-কৃতিৰ বিষয়ে চমুকৈ আলোচনা আগবঢ়াওঁক।

প্ৰশ্ন ২ ঃ ভবেন্দ্ৰনাথ শইকীয়াৰ গল্পৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক। অসমীয়া চুটিগল্পৰ ধাৰাটোত ভবেন্দ্ৰ নাথ শইকীয়াৰ স্থান নিৰূপণ কৰক।

প্ৰশ্ন ৩ ঃ 'সেন্দূৰ' গল্পটোৰ কাহিনীভাগ চমুকৈ লিখি গল্পটোৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ 'সেন্দূৰ' গল্পক চুটিগল্পৰ কোনটো ধাৰাত অন্তৰ্ভুক্ত কৰিব পাৰি। সেই ধাৰাটোৰ বিশেষত্ব সমূহ 'সেন্দূৰ' গল্পত কিদৰে প্ৰতিফলিত হৈছে আলোচনা কৰক।

প্ৰশ্ন ৫ ঃ 'সেন্দূৰ' গল্পটোত নাৰীৰ মনস্তত্ব কিদৰে প্ৰতিফলিত হৈছে। চৰিত্ৰৰ সহায়ত উদাহৰণ দি আলোচনা কৰক।

প্ৰশ্ন ৬ ঃ 'সেন্দূৰ' চুটিগল্পৰ চৰিত্ৰসমূহ আলোচনা কৰক।

*** ***** ***